**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-DEC-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

———————————————

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ২০ ডিচেম্বৰত দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীয়ে এই ভ্ৰমণকালত বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ নতুন টাৰ্মিনেল ভৱন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। একেদিনাই প্ৰধানমন্ত্ৰীগৰাকীয়ে লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰাৰ লগতে গুৱাহাটীত এখন জনসভাত অংশগ্ৰহণ কৰিব।

শ্ৰীমোদীয়ে ২১ ডিচেম্বৰত ডিব্ৰুগড় জিলাৰ নামৰূপত স্থাপন হ'বলগীয়া এম'নিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। প্ৰায় ১১ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই প্ৰকল্পত বছৰি ১২ দশমিক ৭ মেট্ৰিক টন এম'নিয়া ইউৰিয়া উৎপাদন কৰিব পৰা যাব। প্ৰধানমন্ত্ৰীৰ এই দুদিনীয়া ভ্ৰমণসূচীৰ প্ৰস্তুতি সন্দৰ্ভত যোৱা বুধবাৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত কেইবাগৰাকী মন্ত্ৰী আৰু বিষয়াৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। প্ৰধানমন্ত্ৰী মোদীৰ এই ভ্ৰমণ সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কালি সাংবাদিকৰ আগত এইদৰে কয়–

*(বাইট ঃ ড০ শৰ্মা)*

০০০০০০

চৰাইদেউ জিলাত ৰূপায়ণ হৈ থকা বিভিন্ন উন্নয়নমূলক আৰু জনকল্যাণমূলক আঁচনিৰ অগ্ৰগতি সন্দৰ্ভত কালি জিলা আয়ুক্ত কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত মন্ত্ৰী তথা মাহমৰাৰ বিধায়ক যোগেন মহন, জিলা আয়ুক্ত ড০ নেহা যাদৱ আৰু সোণাৰীৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰকে ধৰি বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। বৈঠকত চাহ বাগিচাৰ যুৱক-যুৱতীসকলৰ মাজত আয়োজিত মুখ্যমন্ত্ৰীৰ চাহ জনজাতি ফুটবল টুৰ্নামেণ্টৰ সফল ৰূপায়ণৰ বাবে প্ৰয়োজনীয় সকলো দিশ পৰ্যালোচনা কৰা হয়। মন্ত্ৰী মহনে এই ক্ষেত্ৰত জিলা প্ৰশাসনক সম্পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। ইয়াৰ লগতে অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ বৰ্তমানৰ স্থিতি সন্দৰ্ভতো আলোচনা কৰা হয়।

০০০০০০

ৰাজ্যৰ ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিৰোধিতাৰে অহা এমাহলৈ জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিয়ে কোনোধৰণৰ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ নকৰে বুলি কালি সমিতিৰ মুখ্য সমন্বয়ক আদিত্য খাখলাৰীয়ে জানিবলৈ দিয়ে। কালি দিছপুৰৰ জনতা ভৱনত মন্ত্ৰীগোটৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৰ সৈতে আলোচনাত মিলিত হোৱাৰ পাছত সমিতিয়ে এই কথা স্পষ্ট কৰে। আলোচনাৰ অন্তত সাংবাদিকৰ সৈতে কথোপকথনত শ্ৰী খাখলাৰীয়ে পৰৱৰ্তী পৰ্যায়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে আলোচনাৰ পাছত কেন্দ্ৰীয় গৃহমন্ত্ৰী, মুখ্যমন্ত্ৰী আৰু জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ মাজত ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত হোৱাৰ সম্ভাৱনাও ব্যক্ত কৰে। বৈঠকত ডাঃ পেগুৱে মন্ত্ৰীগোটে জনোৱা অনুমোদনৰ উপৰি ইতিমধ্যে তালিকাভুক্ত অনুসূচীত জনজাতিৰ স্বাৰ্থ আৰু অধিকাৰ সুৰক্ষিত ৰক্ষাৰ বাবে আগবঢ়োৱা প্ৰস্তাৱ সন্দৰ্ভত বিতংভাৱে ব্যাখ্যা কৰে বুলিও তেওঁ জানিবলৈ দিয়ে। মন্ত্ৰীগৰাকীয়ে সমন্বয়ৰক্ষী সমিতিক মন্ত্ৰীগোটৰ প্ৰতিবেদনৰ পঞ্চম আৰু ষষ্ঠ দুয়োটা অধ্যায় পৃথকে পৃথকে পঢ়াৰ পৰিৱৰ্তে

সমন্বিতৰূপত পঢ়িবলৈ আহ্বান জনায়। সমিতিখনে এই সন্দৰ্ভত নিজাববীয়াকৈ এটা বিশেষজ্ঞ গোট গঠন কৰি এমাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব বুলি অৱগত কৰে। শ্ৰী খাখলাৰীয়ে লগতে আলোচনাৰ মাধ্যমেৰে সুস্থ পৰিৱেশত সকলো সমস্যাৰ বিজ্ঞানসন্মত সমাধান উলিওৱা সম্ভৱ বুলি মন্তব্য কৰে। তেওঁ অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ অধ্যক্ষতাত গঠন হোৱা উচ্চ ক্ষমতাসম্পন্ন সমিতিয়ে দাখিল কৰা প্ৰতিবেদনৰ কাৰণে এমাহৰ আন্দোলন কাৰ্যসূচী স্থগিতকৰণৰ বিষয়ে ঘোষণা কৰে। এই বিষয়ে নিখিল ৰাভা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ডাঃ সুভাষ ৰাভাইও সহমত প্ৰকাশ কৰে।

অৱশ্যে জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ এই স্থিতিৰ বিপৰীতে কালি সন্ধিয়া ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জনজাতি ছাত্ৰ সমাজে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিৰোধিতা কৰি প্ৰতিবাদী সমদল বাহিৰ কৰে।

০০০০০০

ৰাজ্যত অহা ৬ মাহৰ ভিতৰত যোৰহাট-ডিব্ৰুগড় সংযোগী পথৰ মেৰামতিৰ কাম কৰা হ'ব বুলি কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীয়ে প্ৰকাশ কৰিছে। লোকসভাত কালি সাংসদ গৌৰৱ গগৈয়ে সোধা এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে এই বিষয়ে সদৰি কৰে। তেওঁ লগতে শিৱসাগৰৰ পৰা ডিব্ৰুগড়লৈ চাৰিটা লেনযুক্ত পথ সম্প্ৰসাৰণৰ কামো শীঘ্ৰে আৰম্ভ হ'ব বুলিও উল্লেখ কৰে। পথছোৱা সম্প্ৰসাৰণৰ ক্ষেত্ৰত অনিয়ম হোৱাৰ কথা স্বীকাৰ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট ঠিকাদাৰৰ বিৰুদ্ধে বিহীত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সদনক আশ্বাস দিয়ে। সাংসদ গগৈয়ে যোৰহাট-ডিব্ৰুগড় সংযোগী ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথছোৱাৰ দুৰৱস্থাৰ কথা উল্লেখ কৰি কয়, যে বিগত বৰ্ষত পথটোৰ জাঁজী অংশৰ কাম কিছু পৰিমাণে আগবাঢ়িল যদিও শিৱসাগৰৰ পৰা মৰাণলৈকে ৰাষ্ট্ৰীয় ঘাইপথছোৱাৰ অৱস্থা এতিয়াও শোচনীয় হৈ আছে। তেওঁ লগতে জনস্বাৰ্থজড়িত এই বিষয়টোৰ সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক তৎকালে হস্তক্ষেপ কৰি ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগমক জবাবদিহি কৰাৰ উপৰি কঠোৰ নিৰ্দেশ দিবলৈ আহ্বান জনায়।

বিৰোধী উপ-দলপতিগৰাকীয়ে কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে শেহতীয়াকৈ সামাজিক মাধ্যমযোগে প্ৰচাৰ কৰা এটা ভিডিঅ'ত ঘণ্টাত ১৩০ কিলোমিটাৰ বেগেৰে দেশৰ বাকী অংশত গাড়ী চলাব পৰাৰ প্ৰসংগ উল্লেখ কৰি কয়, যে অসমৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দুৰৱস্থাৰ বাবে ই কেতিয়াও সম্ভৱ নহয়। তেওঁ লগতে কয়, যে ৰাজ্যখনৰ জনসাধাৰণে যথেষ্ট পৰিমাণ টোল কৰ দি অতি বিপদসংকুলভাৱে শোচনীয় পথেৰে যাতায়াত কৰিবলগীয়া হয়। ই কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে বুলি সাংসদগৰাকীয়ে মত প্ৰকাশ কৰে।

০০০০০০

সমাপ্ত